**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-02-2025 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

ৰাজ্যৰ ৯৪৪টা পৰীক্ষা কেন্দ্ৰত কাইলৈ চলিত বছৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰম্ভ হ'ব। এইবাৰ মুঠ ৪লাখ ২৯ হাজাৰ ৪৪৮ গৰাকী পৰীক্ষাৰ্থী এই পৰীক্ষাত অৱতীৰ্ণ হ'ব। পৰিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ ৩১টা অতিৰিক্ত পৰীক্ষা কেন্দ্ৰত পৰীক্ষা অনুষ্ঠিত হ'ব আৰু ৪২টা মূল্যায়ন কেন্দ্ৰত উত্তৰ বহী মূল্যায়ন কৰা হ'ব। পৰীক্ষা নিয়াৰিকৈ পৰিচালনাৰ বাবে ইতিমধ্যে সংশ্লিষ্ট জিলা আয়ুক্তসকলে কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। সেই অনুসৰি পৰীক্ষা কেন্দ্ৰৰ ১৫ মিটাৰ ব্যাসাৰ্দ্ধৰ ভিতৰত পৰিক্ষাৰ্থীৰ বাহিৰে আন লোকৰ প্ৰৱেশ নিষিদ্ধ, মোবাইল ফোন, স্মাৰ্ট ঘড়ী আদিকে ধৰি অন্যান্য ইলেকট্ৰনিক সামগ্ৰী ব্যৱহাৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

০০০০০০০

২৫ আৰু ২৬ ফেব্ৰুৱাৰীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ বিনিয়োগকাৰীক আদৰিবলৈ ৰাজ্য চৰকাৰ সাজু হৈছে। উদ্যোগ মন্ত্ৰী বিমল বৰাই জনোৱা অনুসৰি বিদেশী বিনিয়োগকাৰীক বিমান বন্দৰৰ পৰা বিভিন্ন জনগোষ্ঠীৰ নৃত্যৰে আদৰণি জনোৱা হ'ব। বিদেশী বিনিয়োগকাৰীৰ সমান্তৰালকৈ থলুৱা উদ্যোগীকো সমানে গুৰুত্ব দিব বুলি মন্ত্ৰীগৰাকীয়ে জনাইছে। থলুৱা বিনিয়োগকাৰীয়ে ৰাজ্য চৰকাৰৰ সৈতে ৫ লাখ টকাৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিব পাৰিব। মন্ত্ৰীগৰাকীয়ে ক্ষুদ্ৰ উদ্যোগীসকলৰ সৈতে এখন বৈঠকত মিলিত হৈ যথেষ্ট সঁহাৰি লাভ কৰা বুলি প্ৰকাশ কৰিছে। এডভাণ্টেজ আছামৰ প্ৰথম সংস্কৰণত ২৬২ খন বুজাবুজিৰ চুক্তিৰ স্বাক্ষৰ হৈছিল। **লগতে ৯ হাজাৰ ৮০৭ কোটি** টকা বিনিয়োগ হৈছিল। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অধিক বুজাবুজিৰ চুক্তি তথা বিনিয়োগ হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আয়োজন কৰা এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত ভাগ ল'বলৈ আহিবলগীয়া বিনিয়োগৰাকীৰ বাবে থকা-খোৱাৰ বিশেষ ব্যৱস্থা কৰাৰ লগতে প্ৰদৰ্শনীথলীৰ পৰিসৰ বৃদ্ধি কৰা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে জনাইছে।

০০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱাৰ মৃত্যু বাৰ্ষিকী পালন কৰা হৈছে। ১৯৮০ চনৰ আজিৰ দিনটোতে কলংপৰীয়া গীতিকাৰ হিচাপে পৰিচিত ৰুদ্ৰ বৰুৱাৰ দেহাৱসান ঘটিছিল। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে শিল্পীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰিছে। শ্ৰী সোণোৱালে সামাজিক মাধ্যমযোগে কৈছে যে, ৰুদ্ৰ বৰুৱাৰ কালজয়ী গীতসমূহত কেঁচা মাটিৰ গোন্ধ সংমিশ্ৰিত হৈ আছে। অসমৰ তাহানিৰ জনজীৱনৰ বিভিন্ন দিশৰ প্ৰতিফলনেৰে মাদকতাপূৰ্ণ ৰুদ্ৰ বৰুৱাৰ গীতসমূহ শুনিলে শুনি থাকিবৰ মন যায় বুলি মন্ত্ৰী গৰাকীয়ে উল্লেখ কৰে।

০০০০০০০

ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি জিলাৰ আৰ্ৱত ভৱনৰ নতুন গৃহৰ আধাৰশিলা স্থাপন কৰাৰ উপৰি জিলাখনৰ আন কেইবাটাও কাৰ্যসূচীত অংশ লয়। ৰাজ্য চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ অধীনত ১২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই আৰ্ৱত ভৱনৰ ভূমি পূজন অনুষ্ঠানত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা আৰু বিধায়ক ভূবন পেগু উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে ইয়াৰ পাছত ধেমাজিৰ হাবুং ঐতিহ্য ক্ষেত্ৰত টাই সংগ্ৰহালয় নিৰ্মাণ কাৰ্যৰ আধাৰশিলা স্থাপন কৰে। লোক নিৰ্মাণ বিভাগৰ অধীনত গ্লোবেল হেড পুঁজিৰ ৩ কোটি টকা ব্যয় সাপেক্ষে এই সংগ্ৰহালয়টো নিৰ্মাণ কৰা হ'ব। ডাঃ পেগুৱে আজি জিলাখনৰ বগলীজান আৰু ভূমা অঞ্চল সংযোগী আৰু বৰদৈ বাগান আৰু ৰাতুৰা সংযোগী দুখন দলঙৰো আধাৰশিলা স্থাপন কৰে।

০০০০০০০

গুৱাহাটী মহানগৰীৰ জালুকবাৰীৰ গোটানগৰত আজি পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত এজন লোকৰ মৃত্যু হোৱাৰ লগতে তিনিগৰাকী ছাত্ৰী গুৰুতৰভাৱে আহত হয়। পুৱাৰ ভাগত এখন বাছে এখন স্কুটীক মহটীয়াই নিয়াৰ ফলত প্ৰফুল্ল দাস নামৰ লোকজন থিতাতে নিহত হয়। সম্প্ৰতি ছাত্ৰী তিনিগৰাকী বিপদমুক্ত বুলি জানিব পৰা গৈছে।

ইপিনে বৰপেটা জিলাৰ হাউলীৰ সমীপৰ কালঝাৰত সংঘটিত আন এটা পথ দুৰ্ঘটনাত এগৰাকী নৱম শ্ৰেণীৰ ছাত্ৰ থিতাতে নিহত হয়। মটৰ চাইকেলেৰে গৈ থকা অৱস্থাত এখন চাৰিচকীয়া বাহনে ছাত্ৰজনক খুন্দিয়াই পলায়ন কৰে বুলি প্ৰত্যক্ষদৰ্শীয়ে জানিবলৈ দিয়ে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত **মই ৰেডিঅ' কিয় শুনো** শীৰ্ষক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ অধ্যাপক, সমাজকৰ্মী, প্ৰাক্তন উগ্ৰপন্থী নেতা আৰু সৰ্বসাধাৰণ ৰাইজে ৰেডিঅ'ৰ সৈতে তেওঁলোকৰ সম্পৰ্ক আৰু আকাশবাণীৰ পৰা তেওঁলোকৰ প্ৰত্যাশা সম্পৰ্কত মন্তব্য আগবঢ়াব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাতো অনাতাঁৰ মাধ্যম সম্পৰ্কত বিভিন্ন জনৰ মতামত আগবঢ়াব।

০০০০০০০

গুৱাহাটী পৌৰ নিগমৰ চাফাই কৰ্মী পুলিন দাসৰ **আছিল প্ৰেয়সী মোৰ** শীৰ্ষক কাব্যগ্ৰন্থখন আজি দিছপুৰ প্ৰেছ ক্লাবত জ্যেষ্ঠ সাংবাদিক দেৱজিৎ ভূঞাই উন্মোচন কৰে। সংগ্ৰামী জীৱনৰ মাজেৰে জীৱন অতিবাহিত কৰা পুলিন দাস বহুতৰ বাবে অনুপ্ৰেৰণা হ'ব বুলি শ্ৰী ভূঞাই উল্লেখ কৰে। জ্যেষ্ঠ সাংবাদিক ফণীধৰ পাঠকে সঞ্চালনা কৰা এই অনুষ্ঠানত কেইবাগৰাকী লেখক-সাংবাদিক উপস্থিত থাকে।

০০০০০০০

**সমাপ্ত**